

# ৰেঙণি

শীতকালীন ষাণ্মাসিক সংখ্যা

অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত আলোচনী

তৃতীয় সংস্কৰণ

শীত আৰু বসন্তকালীন বিশেষ সংখ্যা

দ্য অসম ভেলী স্কুল
বালিপাৰা, শোণিতপুৰ - ৭৮৪১০১
অসম

# কবিতাৰ কৰণিত

## ঢোল মাৰিবৰ হ'ল

কৌস্তভ বি আৰ্য্য
একাদশ শ্ৰেণী, বিজ্ঞান শাখা



থৌকি বাথৌ মনটো জানো
শান্ত হ'ব কুলিৰ কণ্ঠ শুনি
ৰঙীন আবেশেৰে আহিছে ন-সাজে
চেনাইলৈও সাজু বিহুৱানখনি।
বৰদৈচিলাই দিলেহি আগলি বতৰা
সাজু হ'ল ঢোল-পেঁপা, লাহৰী গগণা
তাঁতৰ খিটখটনিয়ে মুগ্ধ কৰিছে
ঢুলীয়ালৈ বাট চাই আছে ঐ বহনা।
নদীৰ ঘাটৰ কি যে অনুপম ছবি
গৰখীয়াই কৈছে 'তই হবি বৰ গৰু'
উদং ঢেকীশালে আজি উঠে প্ৰাণ পাই
লগতে জুতি লগা চিৰা-পিঠা-লাডু।
দীঘলতি-মাখীয়তিৰ অন্তহীন পৰ্ব
ঢোলৰ ছেৱে ছেৱে নাচনী অক্লান্ত
খোপাৰ কপৌফুলে, মুগাৰ বিহাখনিৰে
সংক্ৰামক শক্তিৰে আহা তুমি বসন্ত!!!

# শীত

অৰ্চিত ফুকন
ষষ্ঠ শ্ৰেণী

শীতকালত ইমান যে ঠাণ্ডা
বৰ ভাল লাগে শুই
দিনে নিশাই মন যায় মোৰ
পুৰাই থাকিবলৈ' জুই।
জুইৰ ওচৰত বহি বহি
লওঁ যে কিমান মজা
মাছ পোৰা, বেঙেনা পোৰা
খাওঁ যে সৰু আলু ভজা।
ফল-মূল আৰু শাক-পাচলি
তৰহে তৰহে ওলায়
প্ৰতি দিনে মায়ে ঘৰত
জুতি লগাই বনায়।
ন-খোৱা, ভোজ খোৱা
আৰু পিকনিকলৈ যোৱা
ঘূৰি পকি আনন্দ কৰি
কেৱল মজা লোৱা।
গছ- বিৰিখৰ পাতবোৰো দেখোন
ৰঙা হালধীয়া হয়
চৰাই-চিৰিকটিৰ মনতো যেন
উলাহে নধৰা হয়।
চুৱেটাৰ, টুপি, মাফলাৰ পিন্ধি
কোনোমতে দিনটো কটাওঁ
সন্ধিয়া হ'লেই কাম-বন কৰি
লেপৰ তলত সোমাওঁ।
কাম কৰিব লাগিলেই চোন
হাত-ভৰিবোৰ কোঁচাও
শীতৰ এই মহা আনন্দ
গৰমত যে নেপাওঁ।



# বহাগ

চিকুণপ্ৰিয়া গোস্বামী
দ্বাদশ শ্ৰেণী, বাণিজ্য শাখা

বহাগ আহিল, বহাগ আহিল
বঙৰ বতৰা লৈ
কুলি কেতেকীৰ মিঠা মাত শুনি
মনটোনো বয় কেনেকৈ।
পিঠা-লাড়ু, চিৰা-জলপানৰ
জুতিটো বৰ ভাল লাগে
বিহু সুৰীয়া সুৰদী গীতত
বলীয়া মন মোৰ জাগে।
ঢুলীয়া ককাইটিৰ ঢোলৰ ছেৱ
আৰু বিহুৱতীৰ ককালৰ ভাঁজ
এইবোৰ দেখি মোৰ মনে পিন্ধে
এক সেউজী সুন্দৰ সাজ।
বহাগৰ বঙত মিলি যাওঁ মই
বহাগীৰ সপোন লেখি
পাজিসেৰীয়া মিহি আঙুলিত
জেতুকাৰ বোল সানি ।
কপৌ ফুলৰ মিঠা হাঁহিয়ে
কৰে মন হেঙুলীয়া
বহাগ আমাৰ প্ৰাণৰো প্ৰাণৰ
বিহুটি বিনন্দীয়া।

# শীতকাল

সোহেইল আলি আহমেদ
অষ্টম শ্ৰেণী

পৰিলে নিয়ৰ মানে আহিলে শীত,
আহিল সময় গুৱলা মাতেৰে গাবলৈ গীত।

নীলা আকাশত উৰিবলৈ মন যোৱা শীত,

কমলা খাবলৈ মন যোৱা শীত।

উঠিবলৈ মন নোযোৱা শীতৰ পুৱা,

মায়ে জগাই দেখুৱাই নিয়ৰসনা পুৱা।

উঠিয়েই গাত সোমোৱা গৰম কাপোৰ,

কিমান যে কষ্ট এই শীতৰ পুৱা।

যদিও কষ্ট পাওঁ এই শীতৰ পুৱা,

আটাইৰ দিনতকৈও প্ৰিয় মোৰ শীত।

# শীতৰ অনুভৱ

কিংশুকৰূপ দাস
পঞ্চম শ্ৰেণী

শীতকালৰ পুৱা বিচনাত উম্‌ললা আমেজ
দেখি ভাল লগা পুৱা সতেজ,

ৰাতি হ'লে জুই পুৱাই ককা-আইতাৰ লগত

সাধু শুনাৰ মজাই বেলেগ।

শীততে আহে আমাৰ মাঘৰ বিহু

সকলোৱে মিলি পাতো ভোগালী বিহু,

আলু পোৰা, বিলাহী পোৰা,মাছ পোৰাৰ সোৱাদ

এই সকলোবোৰ আমি জুতি লগাই খাওঁ।

নামঘৰৰ ওচৰৰ মেজি আমি সকলোৱে চাওঁ

পাঁচ টকা উলিয়াই মেজিত সেৱা জনাওঁ,

ৰাতিলৈ একেলগে মিলি ভোজ-ভাত খাওঁ

ৰাতিপুৱা শুই উঠি মেজিক প্ৰণাম জনাওঁ।

Rongali Bihu

## মাঘৰ বিহুৰ আনন্দ

অৰ্চনা এ. বাইলুং
পঞ্চম শ্ৰেণী

ৰাতিপুৱা উঠি গম পালো আজি মাঘৰ বিহু
আনন্দতে জপিয়াই মই নাচিয়েই দিলো।

ৰাতিকে আজি মাছ-মাংসৰ সৈতে ভোজ খাম,

ৰাতিটো লগৰ কেইটাৰ সৈতে মেজিৰ কাষতেই কটাম।

মেজিৰ সেক লৈ কাঠ আলু ভজা খাম,

পিঠা আলু পুৰি লৈ ফুৰাই ফুৰাই খাম ।

মায়ে বন্ধা কুকুৰা মাংস বৰ ভাল পাওঁ,

ৰাতিকৈ এই সকলোবোৰ জুতি লগাই খাম।

এইবাৰৰ মাঘৰ বিহুটি বাৰু ভালদৰে কটাম,

অহাবাৰলৈও বিহুটি যেন সোনকালেই পাওঁ।







# বহাগ বিহুৰ পৰম্পৰা

ডেনিজা চাংমাই
সপ্তম শ্ৰেণী

বিহু অসমৰ জাতীয় উৎসৱ। জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো অসমীয়া মাত্ৰেই বিহু পালন কৰে। বিহুৰ নাম শুনিলেই অসমীয়াৰ মন-প্ৰাণ আনন্দত নাচি উঠে। বছৰত তিনিটা বিহু পালন কৰা হয় যদিও বহাগ বিহু বা ৰঙালী বিহুৰেই অতি উলহ-মালহেৰে পালন কৰা হয়। বিভিন্ন ঠাইত ৰঙালী বিহুৰ নাচ-গান, খুওৱা-বুওৱা প্ৰায় এমাহ জুৰি চলে।

ৰঙালী বিহুৰ প্ৰথম দিনটোক গৰু বিহু হিচাপে পালন কৰা হয়। সেইদিনা ৰাতিপুৱা গৰুৰ মূৰ,কাণ, শিঙত তেল ঘঁহি নৈ পাৰলৈ নি দীঘলতি-মাখীয়তিৰে গাত কোবাই গা ধুওৱা হয় আৰু গা-পা ধুৱাই লাও, বেঙেনা আদি খাদ্য খাবলৈ দিয়ে। গধূলি মৰাপাটেৰে তৈয়াৰী কৰা ন-পঘাৰে গৰুক বন্ধা হয়। দ্বিতীয় দিনা মানুহ বিহু পালন কৰা হয়। প্ৰকৃততে সেইদিনা বৰদোমাহী। সেই দিনটোত বন্ধু-বান্ধৱী, আলহী-অতিথিক ঘৰলৈ নিমন্ত্ৰণ কৰি আনি আদৰ-সাদৰ কৰা হয়, চিৰা-জলপান, পিঠা-পনা আদি খুওৱা হয়। কোনো কোনো ঠাইত বিহুৰ দিনা দুপৰীয়া ভাত নাখায়। জা-জলপান, পিঠা-লাড়ু, লুচি-পায়স আদিহে খায়। সৰুৱে ডাঙৰক সেৱা জনায় আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। এই দিনটোত আমি সকলো আলহী-অতিথিক বিহুৱান দিওঁ। ডেকা-গাভৰুসকলে মুকলি পথাৰত প্ৰাণ খুলি মনৰ আনন্দত নাচে আৰু ঘৰে ঘৰে গৈ হুচৰি গায়।

বহাগ বিহুৰ সময়ত হিল-দল ভাঙি ধুমুহা বা বৰদৈচিলা আহে বুলি লোকবিশ্বাস আছে। কুলিয়ে মাতে, গছত কপৌ ফুলে, গোটেইখন প্ৰকৃতি সেউজীয়া হৈ পৰে। ঢোল, পেঁপা,গগণাৰ মাতত চৌদিশ মুখৰিত হৈ পৰে আৰু গীত-মাত-হুচৰিৰে সকলোৱে বৰ আনন্দ ফুৰ্তি কৰে বাবে এই বিহুটিক ৰঙালী বিহু বুলি কোৱা হয়।




# বহাগ বিহুটি মই কেনেদৰে পালন কৰো


ৰাজজ্যোতি তালুকদাৰ
অষ্টম শ্ৰেণী


অসমীয়া সংস্কৃতিত আমি তিনি প্ৰকাৰৰ বিহু পালন কৰো। তিনিওটা বিহুৰেই আমি বৰ আনন্দেৰে পালন কৰো যদিও বহাগ বিহুটিত আমাৰ মন আনন্দ উলাহেৰে নধৰা হয়। বহাগৰ বতৰত সকলোৰে মনবোৰ ৰঙীয়াল হৈ পৰে। মোৰ ব্যক্তিগত ভাৱে এই বিহুটো বৰ ভাল লাগে। কাৰণ আমাৰ পৰিয়ালৰ সকলো মানুহ এই বিহুতেই লগ হয়।

অসমীয়া নৱবৰ্ষৰ আৰম্ভণিৰ এই বিহুটিত প্ৰতিঘৰ মানুহেই পৰম্পৰাগতভাৱে বহুতো নীতি-নিয়মৰ মাজেৰে পালন কৰে। গৰুক গা-ধুওৱা, বিহুৱান দিয়া, ডাঙৰক সেৱা-সৎকাৰ কৰা, পিঠা-পনা খোৱা আদিৰ জৰিয়তে এই বিহু পালন কৰা হয়। আমাৰ ঘৰতো এই বিহুৰ সময়ত আমাৰ পৰিয়ালৰ সকলো মানুহ গোট খায়। মামা-মামী, পেহা-পেহী, ককা-আইতা সকলো আমাৰ ঘৰলৈ আহে আৰু আমি সকলোৱে লগ লাগি ফূৰ্তিৰে এসাজ খাওঁ। মায়ে পৰিয়ালৰ আটাইলৈ বুলি নাৰিকল পিঠা, তিল পিঠা, নাৰিকলৰ লাডু, চুজিৰ লাডু, তেল পিঠা আদি বনায় । পৰিয়ালৰ আটাইবোৰ মানুহ লগ হৈ একেলগে খোৱা বা আনন্দ কৰাৰ মজাই বেলেগ। মামী, পেহীহঁতে পাকঘৰত লগ হৈ নানান সুস্বাদু ব্যঞ্জনৰ প্ৰস্তুতিত কোনোবাই মাছ ৰন্ধা, কোনোবাই পাচলি কটা, কোনোবাই খাবলৈ থাল-বাতি সাজু কৰা দৃশ্য দেখি বৰ ভাল লাগে।

বিহুৰ দিনা পুৱাই গা-পা ধুই উঠি মই মোৰ ককা-আইতা, মা-দেউতা আৰু ঘৰৰ সকলো জ্যেষ্ঠ সদস্যক সেৱা কৰো আৰু আশীৰ্বাদ লওঁ, যাতে বছৰটো মোৰ ভালে-কুশলে যায়। আটায়ে বিহুৱান লওঁ আৰু পৰিয়ালৰ অন্য সকলকো আদৰ-মৰম, সেৱা-সৎকাৰ কৰি বিহুৱান দিওঁ। খোৱা-বোৱা, কথা-বতৰা, খেলা-ধূলাৰ মাজেৰে দিনটো অতি সুন্দৰকৈ পাৰ কৰো।







## আদৰৰ বিহুটি

অৰ্ণৱ দত্ত
অষ্টম শ্ৰেণী

তিনিটা বিহুৰ ভিতৰত মোৰ আটাইতকৈ প্ৰিয় বিহুটোৱেই হল বহাগ বিহু।বিহুৰ আগদিনা উৰুকা বুলি কোৱা হয়।সেইদিনা ৰাতিপুৱা সোনকালে উঠি মাহ -হালধি সানি গা ধুই উঠি আমি নতুন কাপোৰ পিন্ধো। নানান ধৰণৰ পিঠা, চিৰা, দৈ,হুৰুম, গুৰ আদিৰে বিহুৰ জলপান খাওঁ। এই বহাগ বিহুতেই মই যোৰহাটৰ ককা- আইতাৰ ঘৰলৈ যাওঁ। বিহুৰ কেইদিন ককা-আইতাৰ লগত থাকি বহুত আনন্দ কৰো। আইতাই বনোৱা বিভিন্ন ধৰণৰ পিঠা খাই বৰ ভাল লাগে।পৰিয়ালৰ সদস্যসকলৰ লগতে চিনাকী
বিভিন্নজনৰ ঘৰলৈ গৈ আমি বিহুৰ শুভেচ্ছা জনাওঁ। এনেদৰে সকলোকে লগ পাই বৰ ভাল লাগে।কিন্তু এইবাৰ কৰণা ভাইৰাচৰ কাৰণে যোৰহাটলৈ যোৱা নহ'ল। আশাকৰো এইবাৰ বিহুত আমি আগতে কৰাৰ দৰেই আনন্দ কৰিব পাৰিম।

## বহাগ বিহু

সোহেইল আলি আহমেদ
অষ্টম শ্ৰেণী

নানা জাতি- উপজাতিৰ মিলনভূমি অসমৰ জাতীয় উৎসৱ বহাগ বিহু। ইংৰাজী এপ্ৰিল মাহৰ দ্বিতীয় সপ্তাহত বহাগ বিহু পালন কৰা হয়। বিহু উৎসৱ অসমীয়াৰ গৌৰৱ। পহিলা বহাগৰপৰাই অসমীয়া নৱবৰ্ষও আৰম্ভ হয়। গৰু বিহুৰে আৰম্ভ হোৱা বিহুৰ দ্বিতীয় দিনা মানুহ বিহু।এই দিনতো মোৰ বৰ প্ৰিয় কাৰণ সেইদিনা আমি বিহু গীত বিহু গাওঁ আৰু বিহু নৃত্য নাচো। অসমীয়া বিহু নৃত্য সমগ্ৰ বিশ্বতে পৰিচিত। সকলোৱে মিলি বিহুৰ জলপান খাওঁ , পিঠা-পনাও খাওঁ। মোৰ ভাল লগা পিঠাটো হৈছে নাৰিকলৰ পিঠা। সকলোবোৰ পিঠাতকৈ সেই পিঠাৰ সোৱাদেই সুকীয়া।সকলোৱে সেইদিনা বৰ আনন্দ কৰে। বিহুৰ তৃতীয় দিনা গোঁসাই বিহু।সেইদিনা সকলোৱে নামঘৰলৈ গৈ অনাগত বছৰটোৰ মঙ্গলৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। তিনিটি বিহুৰ ভিতৰত মোৰ আটাইতকৈ ভাল লগা বিহুটোৱেই হল বহাগ বিহু। প্ৰতি বছৰেই এই বহাগ বিহুলৈ মই বৰ আশাৰে বাট চাই ৰওঁ।



## বহাগ বিহুটি মই কেনেদৰে পালন কৰো

ৰাজজ্যোতি তালুকদাৰ
অষ্টম শ্ৰেণী

অসমীয়া সংস্কৃতিত আমি তিনি প্ৰকাৰৰ বিহু পালন কৰো। তিনিওটা বিহুৰেই আমি বৰ আনন্দেৰে পালন কৰো যদিও বহাগ বিহুটিত আমাৰ মন আনন্দ উলাহেৰে নধৰা হয়। বহাগৰ বতৰত সকলোৰে মনবোৰ ৰঙীয়াল হৈ পৰে। মোৰ ব্যক্তিগত ভাৱে এই বিহুটো বৰ ভাল লাগে। কাৰণ আমাৰ পৰিয়ালৰ সকলো মানুহ এই বিহুতেই লগ হয়।

অসমীয়া নৱবৰ্ষৰ আৰম্ভণিৰ এই বিহুটিত প্ৰতিঘৰ মানুহেই পৰম্পৰাগতভাৱে বহুতো নীতি-নিয়মৰ মাজেৰে পালন কৰে। গৰুক গা-ধুওৱা, বিহুৱান দিয়া, ডাঙৰক সেৱা-সৎকাৰ কৰা, পিঠা-পনা খোৱা আদিৰ জৰিয়তে এই বিহু পালন কৰা হয়। আমাৰ ঘৰতো এই বিহুৰ সময়ত আমাৰ পৰিয়ালৰ  সকলো  মানুহ গোট খায়। মামা-মামী, পেহা-পেহী, ককা-আইতা সকলো আমাৰ ঘৰলৈ আহে আৰু আমি সকলোৱে লগ লাগি ফুৰ্তিৰে এসাজ খাও। মায়ে পৰিয়ালৰ আটাইলৈ বুলি নাৰিকল পিঠা, তিল পিঠা, নাৰিকলৰ লাডু, চুজিৰ লাডু, তেল পিঠা আদি বনায় । পৰিয়ালৰ আটাইবোৰ মানুহ লগ হৈ একেলগে খোৱা বা আনন্দ কৰাৰ মজাই বেলেগ। মামী, পেহীহঁতে পাকঘৰত লগ হৈ নানান সুস্বাদু ব্যঞ্জনৰ প্ৰস্তুতিত কোনোবাই মাছ ৰন্ধা, কোনোবাই পাচলি কটা, কোনোবাই খাবলৈ থাল-বাতি সাজু কৰা দৃশ্য দেখি বৰ ভাল লাগে।

বিহুৰ দিনা পুৱাই গা-পা ধুই উঠি মই মোৰ ককা-আইতা, মা-দেউতা আৰু ঘৰৰ সকলো জ্যেষ্ঠ সদস্যক  সেৱা কৰো আৰু আশীৰ্বাদ লওঁ, যাতে বছৰটো মোৰ ভালে-কুশলে যায়। আটায়ে বিহুৱান লওঁ আৰু পৰিয়ালৰ অন্য সকলকো আদৰ-মৰম, সেৱা-সৎকাৰ কৰি বিহুৱান দিওঁ। খোৱা-বোৱা, কথা-বতৰা, খেলা-ধূলাৰ মাজেৰে দিনটো অতি সুন্দৰকৈ পাৰ কৰো।

## বিহুৰ অনুভৱ

উদীপ্ত বৰুৱা
অষ্টম শ্ৰেণী

অসমীয়া সংস্কৃতিত বিহু অতি গুৰুত্বপুৰ্ণ।  বঙ আনন্দেৰে পালন কৰা ৰঙালী বিহুত মই পৰিয়ালৰ জ্যেষ্ঠসকলক সেৱা কৰি আশীৰ্বাদ লওঁ। জ্যেষ্ঠসকলক গামোচা পিন্ধাই তেওঁলোকক সন্মান জনাওঁ। ঢোল-পেপা, টকা -গগণা , কপৌফুল-কেতেকী ফুল ,গামখাৰু ইত্যাদি লৈয়েই আমাৰ হেপাহৰ বহাগ বিহু।বিহু আমাৰ প্ৰতিজন অসমীয়াৰ গৌৰৱ।




# বহাগ বিহুৰ বিষয়ে মই কি জানো

কৃতাৰ্থ কৌশিক
অষ্টম শ্ৰেণী

কাতি বিহু কঙালী , মাঘ বিহু ভোগালী ,বহাগ বিহু ৰঙালী।প্ৰতিজন অসমীয়াৰ হেপাহৰ উৎসৱ বহাগ বিহু অসমীয়া বহাগ মাহত পালন কৰা হয়।এই সময়ত সকলোৰে মনবোৰ ৰঙিয়াল হৈ উঠে। প্ৰকৃতি জগততো কপৌ , তগৰ ফুল ফুলি বিহু অহাৰ বতৰা দিয়ে। সাতদিনীয়া ৰঙালী বিহু সকলোৱে অতি আনন্দেৰে পালন কৰে। গৰু বিহুৰে আৰম্ভ হোৱা এই বিহুৰ দ্বিতীয় দিনা জ্যেষ্ঠজনৰ আশীৰ্বাদ লয়। তৃতীয় দিনাৰ গোঁসাই বিহুত ভগৱানলৈ সেৱা জনাই শৰাই- বন্তি আগবঢ়াই অনাগত বছৰটোৰ সকলোৰে মঙ্গলৰ বাবে সেৱা জনোৱা হয়। সকলো শুভকামৰ শুভাৰম্ভণি এই বহাগ মাহতেই কৰা হয়। বিহু আমাৰ জাতীয় উৎসৱ আৰু আমি সকলোৱে বিহু উৎসৱ অতি আনন্দেৰে পালন কৰো।







# শীত আৰু বসন্তৰ অনুভৱেৰে ---

## ৰঙালী বিহু : মোৰ অনুভৱ

অভিন্যাশিনী বৰুৱা
অষ্টম শ্ৰেণী

অসমৰ তিনিটা বিহুৰ ভিতৰত বহাগ বিহু অতি আদৰৰ। বসন্তৰ আগমণত উদযাপন কৰা বিহু অসমৰ মূল উৎসৱ।এই সময়ত প্ৰকৃতি নতুন ৰূপেৰে জিলিকি উঠে। বহাগবিহু সাতদিন পালন কৰা হয়। ৰঙালী বিহুৰ প্ৰথমদিনা গৰুক মাহ- হালধি সানি গা ধুৱাই নতুন পঘা পিন্ধোৱা হয় । দ্বিতীয়দিনা জ্যেষ্ঠজনক গামোছা দি বিহুৰ সন্মান জনোৱা হয়। ।সকলোৱে ঘৰতে বিভিন্নধৰণৰ পিঠা-পনাও বনায় আৰু ইজনে আনজনক বিহু খাবলৈ নিমন্ত্ৰণ জনোৱা হয়। সকলোৱে মিলি এই বিহুত বিহু নৃত্য পৰিবেশন কৰাৰ লগতে বিভিন্ন খেল ধেমালিও খেলা দেখা যায়। সমগ্ৰ অসমবাসীয়ে সকলো ফালে উলহ-মালহ , ৰং ধেমালীৰে এই বিহু পালন কৰা দেখা যায়।

## বহাগ বিহুৰ অনুভৱ

তাচমিন য়ুচৰা আহমেদ
অষ্টম শ্ৰেণী

গছ- লতাৰ নতুন কুঁহিপাতে যিদৰে মধুৰ দিনৰ আগমনৰ সূচনা কৰে সেইদৰে বহাগ বিহুৱে অসমীয়া সকলৰ মাজলৈ ৰঙ কঢ়িয়াই আনে। এই সময়তে অসমীয়াসকলে বহাগ বিহু পালন কৰে। বহাগ বিহুৰ আমাৰ জাতীয় উৎসৱ। ৰঙ আনন্দ কঢ়িয়াই অনা এই ৰঙালী বিহুৱে প্ৰতিজন অসমীয়াৰ মনলৈ আনন্দ কঢ়িয়াই আনে। প্ৰথম দিনা গৰু বিহু পালন কৰা হয় আৰু গৰুক নতুন পঘা পিন্ধোৱা হয়। মানুহৰ বিহুৰ দিনা ইজনে সিজনক বিহুৱানেৰে আদৰে ,পিঠাপনাৰে আলহীৰ আপ্যায়ন কৰা হয় লগতে বিহুৰ আন্তৰিক শুভেচ্ছা জনোৱা হয়। গৃহস্থৰ ঘৰে ঘৰে গৈ হুচৰি গাই গৃহস্থৰ পদূলি মূখৰিত কৰাৰ লগতে গৃহস্থক বছৰতো কুশলে যাবলৈ আশীৰ্বাদ প্ৰদান কৰে। ঢোল,পেপা গগণাৰ মাতত চাৰিওদিশ ৰজনজনাই উঠে। ৰঙৰ উৎসৱ ৰঙালী বিহু প্ৰতিজন অসমীয়াই অতি আনন্দৰে পালন কৰা দেখা যায়।

# শীতৰ অনুভৱ

আস্মীত ফুকন
ষষ্ঠ শ্ৰেণী

শীত শব্দটো শুনাৰ লগে লগেই আমাৰ গা-মন চেঁচা হৈ আহে। উস্ ...... কি যে ভাল লগা সেই দিনকেইটা। দূৰ্গা পূজাৰ পিছতেই অলপ অলপ কুঁৱলী পৰা সেই ৰাতিপুৱাবোৰত মোৰ যে বিচনাৰ পৰা উঠিবৰ মনেই নাযায়। মায়ে টোপনিৰ পৰা উঠিবলৈ মাতি মাতি ভাগৰি যায় । এলাহ লাগিলেও কোনোমতে চকু মোহাৰি মোহাৰি বিচনাৰ পৰা উঠি আহো। কিন্তু দিনটো খেলা-ধূলা কৰিবলৈ বৰ ভাল লাগে।

ঠাণ্ডাকালি আমি বিভিন্ন উৎসৱ পালন কৰাৰ সুবিধা পাওঁ। বছৰৰ শেষত বৰদিন পালন কৰো, ইংৰাজী নৱবৰ্ষক আদৰিবলৈ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন আৰু ওচৰ চুবুৰীয়া মিলি-জুলি আনন্দ কৰি ভোজ ভাত খাও। ইয়াৰ লগে লগে গাওঁ অঞ্চলত খেতি চপাবৰ হয় । গাঁৱৰ প্ৰতিঘৰ মানুহেই ইঘৰে-সিঘৰক ধান চপোৱাত সহায় কৰি দিয়ে আৰু প্ৰতিঘৰেই ন-খোৱা উৎসৱ পালন কৰি শীতৰ আনন্দ লয়।

শীত কালত বিভিন্ন শাক-পাচলিৰ খেতি হয়। নতুন-নতুন ফুলকবি, বন্ধাকবি, গাজৰ, মূলা, পালেং, লাই, ধনীয়া ইত্যাদি বিভিন্ন শাক-পাচলিৰে ৰন্ধা নানান ধৰণৰ সোৱাদ লগা তৰকাৰী খাবলৈ বৰ ভাল লাগে। সন্ধিয়া সময়ত প্ৰায়েই ককা-আইতাৰ লগত জুই পুৱাও আৰু লগতে আলু পোৰা, মাছ পোৰা, গাহৰি পোৰা আদিৰ সোৱাদ লওঁ।

পুহ মাহ শেষ হোৱাৰ লগে লগেই মাঘৰ বিহু আহে। বিহুৰ উৰুকাৰ নিশা আটায়ে লগ লাগি ভোজ-ভাত খোৱাৰ পিছত বিহুৰ দিনা ৰাতিপুৱাই  শীতৰ হাড় কপোৱা ঠাণ্ডাত গা-পা ধুই মেজি জলাই অগ্নি পূজা কৰাৰ যি আনন্দ সেয়া আন একোতেই হয়তো নাপাও। লগতে বিহুৰ পিঠা-পনা, চিৰা, জলপান, আখৈ, সান্দহগুৰি, হুৰুম, দৈ, ক্ৰীম, গুৰ আদিৰ সোৱাদ বছৰটোৰ অন্য সময়ত পোৱা নাযায়।    শীতকালৰ এই  আনন্দ গ্ৰীষ্মকালত পোৱাটো অসম্ভৱ । মুঠৰ ওপৰত খেলা-ধূলাৰ পৰা আৰম্ভ কৰি  খোৱা বোৱা, আনন্দ-ফূৰ্টিৰ বাবে শীতকালটোৱেই মোৰ মনত বছৰটোৰ ভিতৰত শ্ৰেষ্ঠ সময়।

# কথাৰ পাকতেই...

কালৰো কাল বিপৰীত কাল
হৰিণাই চেলেকে বাঘৰ গাল ।

বাঘৰ আগত হৰিণা পৰিলে নিস্তাৰ নাই বুলি জানি হৰিণাই বাঘ অহাৰ উমান পালেই পলাই পত্ৰং দিয়ে। কিন্তু এতিয়া এনেদৰে সময় সলনি হ'ল যে হৰিণাইও বাঘৰ গাল চেলেকিব পৰা হ'ল।সমাজত হোৱা কোনো অস্বাভিক ঘটনা বুজাবলৈ এই যোজনাটিৰ ব্যৱহাৰ কৰা হয়।

এপাট তাল অকলে নাবাজে ।

এপাট তাল অকলশৰে নাবাজে, এপাট তালে আনপাট তালক আঘাত কৰিলেহে তালযোৰ বাজি উঠে।অৰ্থাৎ এজনৰ কথাত আনজনে প্ৰতিবাদ কৰিলেহে বিবাদ বা কাজিয়াৰ সৃষ্টি হয়।এই যোজনাটিৰপৰা আমি বুজিলো যে কোনো এক বিবাদৰ বাবে কম বেছি  পৰিমাণে দুয়ো পক্ষই জগৰীয়া হয়।

উদক ভেটাৰখীয়া পাতা ।

মাছ হ'ল উদৰ প্ৰিয় খাদ্য আৰু মাছ ভেটাত ধৰা হয়। যদি উদকেই ভেটাৰখীয়া কৰা হয় তেন্তে উদে মাছবোৰ খাই পেলাব কাৰণ চোৰে চুৰ কৰাৰ চল বিচাৰি ফুৰে।।গতিকে ভক্ষককেই যদি ৰক্ষক পাতি ভুল কৰা হয় তেনেহলে বিপদ হোৱাটো স্বাভাৱিক।

কেঁচু খান্দোতে সাপ ওলোৱা ।

কেঁচু মাটিত থকা এটি সামান্য জীৱ। কেঁচু  বিচাৰিবলৈ হ'লে মাটিত সামান্য গাঁত এটা কৰিলেই হয়। কেতিয়াবা এনেদৰে কেঁচু বিচাৰি গাঁত খান্দোতেই কেঁচুৰ পৰিবৰ্তে অনিষ্টকাৰী সাপো ওলোৱা দেখা যায়।এই যোজনাটিৰপৰা আমি বুজিলো যে সৰুসুৰা কোনো ঘটনাৰ ৰহস্য ওলিয়াবলৈ যাওঁতে একোটা ডাঙৰ ঘটনা পোহৰলৈ অহা।



# বিজ্ঞজনে কি কৈছে



- আৱশ্যকীয় ব্যৱহাৰ, উচিত  তৎপৰ পৰিচালনা আৰু অনুশীলন নহ'লে সকলো বস্তুতে মামৰে ধৰে।

  -অম্বিকাগিৰী ৰায়চৌধুৰী-

- অসমীয়া ভাষা আমাৰ মাতৃভাষা । মাতৃৰ নিচিনা বাবেই মাতৃয়ে ৰেজাৰ পোৱা কাম কৰাটো সন্তানসকলৰ পক্ষে অযুগুত। ইয়াকে ভাবি অসমীয়াসকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিবান হোৱা উচিত।

  -আনন্দৰাম ঢেকীয়াল ফুকন-

- কৰিবলগীয়া কামখিনি শৃংখলা লগাই কৰি উঠিলেই সময়ৰ সদ ব্যৱহাৰ কৰা হ'ল বুলি ক'ব পাৰি।

  -নীলমণি ফুকন-

- যি লোক তোমাতকৈ কোনো কথাত শ্ৰেষ্ঠ, তেঁৱেই তোমাৰ মান্য ।

  -হেমচন্দ্ৰ বৰুৱা-


সম্পাদক - নৱদ্বীপ ডেকা

উপ সম্পাদক - ভিৰাজ গোস্বামী

সহকাৰী সম্পাদক - হানা চানিকাৰ, নিশান্ত শৰ্মা, অচিং ফুকন

অলংকৰণ - হানা চানিকাৰ, নৱদ্বীপ ডেকা, কৃতাৰ্থ কৌশিক

সমন্বয়ক - বিতুদ্বীপ ডেকা , য়শংকৰ ৰঞ্জিৎ , ৰেয়ান আলম

ছবি অংকণ - শুভেচ্ছা বৰা , দিৰিজা দিব্যজ্যোতি

তত্বাৱধায়িকা - ড০ পৰিণীতা গোস্বামী , প্ৰাৰ্থনা বৰা ফুকন

প্ৰকাশক - অসমীয়া বিভাগ , দ্য অসম ভেলী স্কুল , বালিপাৰা - ৭৮৪১০১, শোণিতপুৰ - অসম

কাৰিকৰী উপদেষ্টা - শ্ৰীযুত ৰূপজ্যোতি দাস, প্ৰশাসক, তথ্য আৰু প্ৰযুক্তিবিদ্যা

পৃষ্ঠপোষক - ড০ বিধুকেশ বিমল, প্ৰধান শিক্ষক, দ্য অসম ভেলী স্কুল